(খ) বাৰটা কঠীয়া তেৰটা ৰোৱণি।
হওক নহওক পথাৰ শুৱনি।।
(গ) বাৰ হাত জালৰ তেৰ হাত ফটা।
ভাল মাৰিলি বাপৰ বেটা।।
বৌ-বৰালি সৰকি গ'ল।
পুঠি-খলিহা পাহে পাহে ৰ'ল।

ঠিক তেনেদৰে 'ভক্তি ৰত্নাৱলী ঃ কিছু তাত্ত্বিক দিশ' নামৰ প্ৰবন্ধটোতো 'ভক্তি ৰত্নাৱলী'ৰ গুৰুত্ব আৰু বৈশিষ্ট্য সম্পৰ্কে পণ্ডিত-ভক্তসকলৰ মাজত প্ৰচলিত ফকৰাৰ অতিৰিক্ত সংযোগ ঘটাইছে এনেদৰে—

(ক) কথাৰ উপাক পাক।
বাৰজনী গৈছিল পানী আনিবলৈ
তেৰজনীৰ কাটিলে নাক।।
(খ) কুঁহিয়াৰ ৰুলোঁ একঠা।
শিয়ালে খালে ছকঠা।।
থাকিল নাথাকিল যি পেৰিলোঁ গুৰ।
তাৰে পালোঁ কেৰি টেকেলিৰে এটেকেলি গুৰ।
তাৰে সবাহ পাতিলোঁ ছটা।
ভাওনা পাতিলোঁ নটা।।
মিতিৰ সোপা সোপ।
আলহীৰ ঘোকা ঘোক।।
ঘৰৰ মানুহ সাৱধানে চলিবা।
বহাগ বিহুলৈ আধাখিনি থ'বা।।

অসমীয়া লোকসাহিত্যৰ ভঁৰালৰ সোণগুটিস্বৰূপ এই ফকৰাবোৰৰ ভাষা তেনেই চুটি; নাৰিকলটোৰ নিচিনাকৈ বাহিৰভাগ ৰুক্ষ, ভিতৰটো ৰসাল; ৰূপকধৰ্মী আৰু অত্যন্ত অৰ্থবহ। আইৰ মুখৰ ভাষাটোৰ এগৰাকী নিৰলস আৰু অক্লান্ত সাধক নাৰায়ণ চন্দ্ৰ গোস্বামীদেৱে তেখেতৰ সেইবোৰ প্ৰবন্ধত ফকৰা-যোজনাৰ অধিক প্ৰয়োগ কৰিছে, যিবোৰৰ যোগেদি তেখেতে কিবা এটা সন্দৰ্ভত প্ৰতিবাদ কৰিব খুজিছে, কাৰোবাক কিবা বিষয় সংক্ৰান্তত প্ৰত্যুত্তৰ দিব লগাত পৰিছে অথবা যিকোনো বিষয় এটাত নিজৰ স্থিতি দৃঢ়ভাৱে সাব্যস্ত কৰিব খুজিছে। এবাৰ একনাথ ব্ৰহ্মচাৰী বুলিবৰ এজন ভণ্ড পণ্ডিতে মাধৱদেৱৰ 'নামঘোষা'খন বিকৃত কৰি 'ভগৱানৰ ওপৰত মই' নামৰ এখন গ্ৰন্থ ছপা কৰি উলিয়াইছিল। সেই গ্ৰন্থৰ প্ৰচাৰ তৎকালে বন্ধ কৰাৰ লগতে ব্ৰহ্মচাৰীক উচিত দণ্ডৰে দণ্ডিত কৰিব লাগে বুলি সজোৰ যুক্তি উত্থাপন কৰি লিখা তেখেতৰ 'একনাথ ব্ৰহ্মচাৰীৰ ভগৱানৰ ওপৰত মই' শীৰ্ষক প্ৰবন্ধটোত গোস্বামীদেৱে কেইবাটাও ফকৰা-যোজনা ব্যৱহাৰ কৰিছে। তাৰে উল্লেখযোগ্য কেইটামান হ'ল—

(ক) ক'লৈ আয়ে কিল খায়।
নক'লেও বোপায়ে চুৱাতে খায়।।
(খ) চিকা মাৰিলে হাততে গোন্ধায়।
(গ) এনেয়ে মৰিছোঁ ঋষিৰ শাপত।
তাতে দিলেহি ধানৰ ভাপত।।
(ঘ) কেপাকানি বিহুৰ শেষ।
কানীয়াৰ নাই জ্ঞানৰ লেশ।।

অসমৰ বৰ্ণাঢ্য সত্ৰীয়া সংস্কৃতিয়ে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত স্বীকৃতি পোৱাৰ ক্ষেত্ৰত থকা অন্তৰায়সমূহ বিশ্লেষণ কৰিবলৈ যোৱাৰ প্ৰসংগত লিখা 'সত্ৰীয়া নৃত্যৰ ৰাষ্ট্ৰীয় স্বীকৃতি লাভত অন্তৰায় ক'ত' নামৰ একেটা প্ৰবন্ধতে গোস্বামীদেৱে সৰ্বাধিক পঁচিছটা ফকৰা-যোজনা ব্যৱহাৰ কৰিছে। তাৰে উল্লেখযোগ্য কেইটামান ফকৰা-যোজনা হ'ল—

(ক) বৰকঠীয়া ফোপদাং।
ধান নাইকিয়া শুদা চাং।।
(খ) ফোপজহী ৰঙাই।
এদোণ চাউলৰ পিঠাগুৰি খুন্দি
সাতখন গাঁৱক জনায়।।
(গ) নবৈ নাকাটি পিন্ধে জালি।
নুৰুই নাদাই খায় শালি।।
(ঘ) ঠাই দিবৰ গুণ।
টপটপনি শুন।।
(ঙ) কৰিছোঁ মেলিছোঁ হিয়া মূৰ ধুনি।
গা মন নুধুৱায় বুঢ়া দৰা শুনি।।
(চ) কংসই বুলিলে পূতনা বাই।
দং দংকৈ উঠিল তাই।।
(ছ) নোম নেগুৰ বৰ্জিত, সিও গায় বৰগীত।
(জ) বাঁৰী মানুহৰ গৰু, বৰলা মানুহৰ কপাহ।
গোটেই পথাৰ এপাহ এপাহ।।
(ঝ) তিনিটা উধানৰ মাজত কুকুৰটো শুলে।
কোনো মতেহে চৰুটো নুচুলে।।
(ঞ) বাইমৰা ভিনিহি, দাঢ়ি খুৰোৱা জাবৰ।
বেৰৰ কাণৰ ফটাকানি তাৰ কিহৰ আদৰ।।
(ট) বান্দীয়ে ভাঙিলে কতৰা।
গড়গাঁও পালেগৈ বতৰা।
ঘৈণীয়ে ভাঙিলে কাঁহী।
থ'লে মিচিকিয়াই হাঁহি।।
(ঠ) শিচ পৰশি জ্ঞান ক'বা।
ভাও পৰশি লৰণু থ'বা।।
(ড) চ'তমহীয়া জুলীয়া গুৰ।
লোককো নিদিয়ে, নিজেও নাখায়
দিয়ে নৰকত বুৰ।।
(ঢ) ভোকে জানে কি পঁইতা-কৰ্কৰা।
টোপনিয়ে জানে কি বতা বকৰা।
(ণ) এপাচি কচুশাকত এটা জালুক।
(ত) তোমাৰ বাৰীৰে বাঁহ গাজ আনি কৰিছোঁ খৰিচা।
তাকে তোমাক দি ধান দোণ সলাইছোঁ, কথাটো মন কৰিছা।।
(থ) অল্পবিদ্যা ভয়ংকৰী
(দ) আৰ্জে নন্দ গুৱালে।
খায় বোন্দা শিয়ালে।।
(ধ) ভূতৰ ওপৰতে দানহ।
(ন) কালৰো কাল বিপৰীত কাল।
হৰিণাই চেলেকে বাঘৰ গাল।।
(প) চোৰে নেৰে চোৰ প্ৰকৃতি কুকুৰে নেৰে ছাই।
যাৰ যি প্ৰকৃতি মৰিলেও লগত যায়।।
(ফ) ওকণিৰ ভয়ে কোনে মুণ্ডি আছে কেশ।
বিঘিনিক ভয়ে নুপূজিবো হৃষীকেশ।।

প্ৰকৃতাৰ্থতেই নাৰায়ণ চন্দ্ৰ গোস্বামীদেৱ আছিল সত্ৰীয়া সংস্কৃতি আৰু লোকসাহিত্যৰ এগৰাকী একনিষ্ঠ সাধক, শুভচিন্তক, গৱেষক, উপাসক, সংৰক্ষক আৰু মননশীল সংবৰ্ধক। ভাষা-সাহিত্য, ঐশ্বৰ্যমণ্ডিত সংস্কৃতিক নিখুঁত আৰু নিষ্কলুস ৰূপত জীয়াই ৰাখিবৰ উদ্দেশ্যেই যেন নাৰায়ণ চন্দ্ৰ গোস্বামীদেৱৰ জীৱন। সেই অনুক্ৰমেই সত্ৰীয়া সংস্কৃতি তথা বৈষ্ণৱ সাহিত্যৰ স্বৰ্ণখচিত কিৰীটিত কাৰোবাৰ বিকলাংগ হাতৰ স্পৰ্শ অনুভৱ পৰিলেই তেখেতৰ সংবেদনশীল মন আৰু অনুভূতিপ্ৰৱণ অন্তৰে বিপ্লৱীৰ সাজ পৰিধান কৰিব খোজে। আৰু শাণিত কলমেৰে, ফকৰা-যোজনাৰ সংযোজনেৰে তিৰ্যক ব্যঞ্জনাময় ককৰ্থনাৰে থকা-সৰকা কৰে সেইসকলক, যিসকলে দখলীস্বত্ব নথকা তেনে এখন ক্ষেত্ৰত অনধিকাৰ প্ৰৱেশ কৰিব খোজে। 'সত্ৰীয়া নৃত্যৰ প্ৰস্তুত আঁচনি', 'গুৰু চৰিত্ৰসমূহৰ সামান্য বিচাৰ-বিশ্লেষণ', 'পুৰণি ধৰ্ম অটুট ৰাখিও মিচিংসকলৰ সোঁত বৈছে বৈষ্ণৱধৰ্মলৈ', 'অসমৰ শ্ৰাদ্ধবিধি ঃ বিশ্বাস আৰু বিস্ময়', 'গুৰুজনাৰ বাবে আমি কি কৰিলোঁ', 'খহনীয়াৰপৰা মাজুলীক ৰক্ষা নকৰিলে মহাপুৰুষজনাৰ জন্মোৎসৱ পতাৰ অৰ্থ নাথাকিব', 'বিশিষ্ট সত্ৰীয়া-সংস্কৃতিৰ সাধক মণিৰাম দত্ত বায়ন মোক্তাৰ' আদি প্ৰবন্ধাৱলীত গোস্বামীদেৱে তেখেতৰ যুক্তিনিষ্ঠ আৰু অধ্যয়নসিদ্ধ বক্তব্যৰ মাজত ফকৰা-যোজনাৰ সুন্দৰ সমাহাৰেৰে মূল বক্তব্যক অধিক পৰিপুষ্ট আৰু প্ৰত্যয়যোগ্য কৰি তুলিছে। কথিত শব্দৰ আৱিষ্কাৰ, শুৱলা বাক্যৰীতিৰ নিৰ্মাণ আৰু শব্দৰ চাতুৰ্যৰ প্ৰতি সদায়েই তৎপৰ হৈ থকা পণ্ডিত সত্ৰাধিকাৰগৰাকীয়ে আনকি কোনো কোনো প্ৰবন্ধও নামকৰণ কৰিছে ফকৰা-যোজনাত ব্যৱহৃত খণ্ড-বাক্যৰদ্বাৰাই। উদাহৰণ—'ঠাই দিবৰ গুণ, টপটপনি শুন', 'কিমাশ্চৰ্যম ঃ কেঁচু খান্দোতে সাপ ওলাল' ইত্যাদি।

সংক্ষেপতে ক'ব পাৰি, বৈষ্ণৱ সাহিত্য-সংস্কৃতিৰ অধীতী-পুৰুষ, পাণ্ডিত্য-বাৰিধি নাৰায়ণ চন্দ্ৰ গোস্বামীদেৱৰ এক নিজস্ব ৰচনা-ৰীতি আৰু প্ৰকাশশৈলী আছে, যাৰ বিশিষ্টতাই তেখেতৰ লেখাক সুকীয়া মাধুৰ্য দান কৰে। অসমীয়া সাহিত্যৰ সাদৰী-সোণস্বৰূপ জতুৱা ঠাঁচ আৰু ফকৰা-যোজনাৰ পৰিমিত আৰু যথাযথ ব্যৱহাৰ সত্ৰাধিকাৰগৰাকীৰ লেখাৰ অন্যতম বৈশিষ্ট্য। এই স্বকীয়তাই তেখেতৰ লেখাক ৰসাল, পঠনীয় আৰু আকৰ্ষণীয় কৰাতে কেৱল ক্ষান্ত নাথাকি তেখেতৰ লোকসাহিত্য-প্ৰীতি আৰু সীমাহীন ভাষা-সাহিত্যজ্ঞানৰো পৰিচয় জ্ঞাপন কৰে।

ঠিকনা ঃ অধ্যক্ষ, মাজুলী মহাবিদ্যালয়, ডাক ঃ কমলাবাৰী, মাজুলী-৭৮৫১০৬, ফোন ঃ ৮৬৩৮৭৬৯০৪০
e-mail : drdebajit23@gmail.com